**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-MAY-2026 **Time :** 1340 HRS

***Assamese Morning Bulletin***

——————————————

## Headlines (29-05-2026) 1340 Hrs.

১। সৰ্বোচ্চ ন্যায়ালয়ে আজি সমগ্ৰ দেশৰ উচ্চ ন্যায়ালয়সমূহক ৰায় সংৰক্ষিত কৰাৰ তিনি মাহৰ ভিতৰত ৰায়দান কৰিবলৈ নিৰ্দেশ দিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব।

৩। আজি আন্তৰ্জাতিক ৰাষ্ট্ৰসংঘ শান্তিৰক্ষী দিৱস। এই দিৱস উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে বিশ্বৰ বিভিন্ন স্থানত শান্তি ৰক্ষাত নিয়োজিত ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী সকলক স্মৰণ কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সমগ্ৰ দেশতে অহা জুনৰ পৰা ছেপ্তেম্বৰলৈকে স্বাভাৱিকতকৈ কম পৰিমাণত বৰষুণ হ'ব বুলি সম্ভাৱনা ব্যক্ত কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ৰত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

সৰ্বোচ্চ ন্যায়ালয়ে আজি সমগ্ৰ দেশৰ উচ্চ ন্যায়ালয়সমূহক ৰায় সংৰক্ষিত কৰাৰ তিনি মাহৰ ভিতৰত ৰায়দান কৰিবলৈ নিৰ্দেশ দিছে। ৰায়দান পলম হ'লে বিবাদীসকলৰ অপূৰণীয় ক্ষতি হ'ব পৰাৰ প্ৰতি লক্ষ্য ৰাখি সৰ্বোচ্চ ন্যায়ালয়ে এই নিৰ্দেশ দিছে। ব্যক্তিগত সিদ্ধান্ত লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি মুখ্য ন্যায়াধীশ সূৰ্যকান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগচিৰে গঠিত বিচাৰপীঠে কয় যে জামিন আবেদনৰ নিৰ্দেশ একে দিনাই ঘোষণা কৰিব লাগে আৰু যদি সংৰক্ষিত হয় তেন্তে পৰৱৰ্তী দিনা ঘোষণা কৰিব লাগিব। শীৰ্ষ আদালতে কেইবাটাও নিৰ্দেশনা জাৰি কৰি কয় যে জামিন বা শাস্তিৰ আদেশ ঘোষণা হোৱাৰ লগে লগে কাৰাগাৰ কৰ্তৃপক্ষক অৱগত কৰোৱাৰ লগতে বিচাৰৰ অধীনত থকা দোষীক একেদিনাই অথবা পিছদিনা মুকলি কৰি দিয়া উচিত।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই খণ্ডটিৰ বাবে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি আজিৰ ভিতৰত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। ইয়াৰ উপৰি ১৯২২ নম্বৰত মিছডকল দি লাভ কৰা এছ্ এম এছ্ জৰিয়তেও প্ৰধানমন্ত্ৰীলৈ পোনপটীয়াকৈ দিহা-পৰামৰ্শ আগবঢ়াব পৰা যাব।

০০০০০০০০০

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি সেৱা চে সমৃদ্ধি শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালা অনুষ্ঠিত হৈছে। পঞ্চায়তৰ নেতৃত্বত সেৱা প্ৰদান ব্যৱস্থাৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কৰ্মশালাত কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী এছ পি সিং বাঘেল আৰু মন্ত্ৰী ৰামেশ্বৰ তেলী উপস্থিত আছে। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পাঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিষয়াসকলে অংশগ্ৰহণ কৰিছে। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০০০

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিঙৰ আজি মৃত্যু তিথিত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক ভৱিষ্যদৰ্শী নেতা বুলি অভিহিত কৰি কয় যে কৃষকসকলৰ কল্যাণ আৰু দেশৰ গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে অবিশ্ৰান্তভাৱে তেওঁৰ জীৱনটো উৎসৰ্গা কৰিলে। চৌধাৰী চৰণ সিঙে সামাজিক ন্যায়, গ্ৰামোন্নয়ন আৰু কৃষকসকলৰ সবলীকৰণৰ বাবে আগবঢ়োৱা অৱদানক সদায়েই মনত ৰখা হ'ব বুলি তেওঁ উল্লেখ কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তাত কয় যে ভাৰতৰত্ন সন্মানেৰে বিভূষিত চৌধাৰী চৰণ সিঙে স্বাধীনতা যুঁজৰ পৰা দেশৰ জৰুৰীকালীন সময়লৈকে দেশৰ গণতান্ত্ৰিক প্ৰমূল্যসমূহ ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ কয় যে কৃষকসকলৰ সমৃদ্ধি আৰু কৃষিভিত্তিক অৰ্থনীতিৰে দেশক নতুন মাত্ৰা প্ৰদান কৰাৰ ক্ষেত্ৰত চৌধাৰী চৰণ সিঙে এটা নতুন ভূমিকা পালন কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে কৃষকসকলৰ কল্যাণৰ প্ৰতি থকা অটল নিষ্ঠাৰ বাবে দেশবাসীৰ মাজত জনসাধাৰণৰ নেতা হিচাপে তেওঁ প্ৰতিষ্ঠা লাভ কৰিছিল। শ্ৰীচৌহানে তেওঁৰ বাৰ্তাত কয় যে চৌধাৰী চৰণ সিঙৰ কৰ্মৰাজিয়ে সদায়েই গ্ৰামাঞ্চলৰ বিকাশ আৰু কৃষকসকলৰ সমৃদ্ধিৰ বাবে সেৱা আগবঢ়াবলৈ অনুপ্ৰাণিত কৰি থাকিব।

০০০০০

আজি আন্তৰ্জাতিক ৰাষ্ট্ৰসংঘ শান্তিৰক্ষী দিৱস। এই দিৱস উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে বিশ্বৰ বিভিন্ন স্থানত শান্তি ৰক্ষাত নিয়োজিত ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী সকলক স্মৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা অভিযানৰ অধীনত বিশ্বত শান্তি আৰু সুৰক্ষা অটুট ৰখাৰ বাবে প্ৰতিশ্ৰুতিৱদ্ধতাৰে সেৱা আগবঢ়াই থকা সাহসী পুৰুষ মহিলা সকলক প্ৰশংসা কৰে। তেওঁ কয় যে, বিশ্বৰ বহু প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ তেওঁলোকে ত্যাগ আৰু সেৱাৰে ফলদায়ক পৰিৱৰ্তন কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

কৰ্ণাটকৰ ৰাজ্যপাল থাৱৰচান্দ গেহলটে মুখ্যমন্ত্ৰী ছিদ্দাৰামাইয়াৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে। তেওঁ তাৎক্ষণিকভাৱে প্ৰযোজ্য হোৱাকৈ মন্ত্ৰী পৰিষদো ভংগ কৰি দিয়ে। অৱশ্যে পৰৱৰ্তী কাৰ্য্যব্যৱস্থা সম্পূৰ্ণ নোহোৱালৈকে শ্ৰী ছিদ্দাৰামাইয়াক তদৰ্থ মুখ্যমন্ত্ৰী হিচাপে কাম চলাই যাবলৈ ৰাজ্যপালে অনুৰোধ কৰে। শ্ৰী ছিদ্দাৰামাইয়াই লোকভৱনলৈ গৈ কালি পদত্যাগ পত্ৰ দাখিল কৰিছিল।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সমগ্ৰ দেশতে অহা জুনৰ পৰা ছেপ্তেম্বৰ মাহলৈকে স্বাভাৱিকতকৈ কম পৰিমাণত বৰষুণ হ'ব বুলি সম্ভাৱনা ব্যক্ত কৰিছে। ২০২৬ৰ মৌচুমী বতৰৰ দ্বিতীয় পৰ্যায়ৰ আগলি বতৰৰ সন্দৰ্ভত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালক প্ৰধান ড০ মৃত্যুঞ্জয় মহাপাত্ৰই কয় যে অৱশ্যে দেশৰ উত্তৰ পূৰ্বাঞ্চলত এই সময়ছোৱাত স্বাভাৱিক পৰিমাণৰ বৰষুণ হ'ব। তেওঁ কয় যে উত্তৰ-পশ্চিম, মধ্য আৰু দক্ষিণ নাতিশীতোষ্ণ অঞ্চলত এই সময়ছোৱাৰ ভিতৰত স্বাভাৱিকতকৈ কম পৰিমাণৰ বৰষুণ হ'ব।

০০০০

খাৰুৱা তেল কঢ়িয়াই অনা ভাৰতৰ এখন জাহাজে হৰমুজ প্ৰণালী অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছে। নিছ'ছ কেৰ'ছ নামৰ এই তেল পৰিবাহী জাহাজখন ভাৰতৰ বিশাখাপট্টনম অভিমুখে আহি আছে আৰু ৩ জুনত জাহাজখন বন্দৰ আহি পোৱাৰ আশা কৰা হৈছে। মাৰ্শ্বাল আইলেণ্ডৰ পতাকাবাহী জাহাজখনে এঁকেশ মে'ত শ্বাৰজাহৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল। আজি পুৱা উত্তৰ আৰৱ সাগৰৰ ভাৰতৰ পশ্চিম উপকূলৰ ফালে জাহাজখন দেখা গৈছে। ইৰানৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি দেশখনৰ ইছলামিক ৰিভলিউচনৰি গাৰ্ডে ২৪ ঘণ্টাত হৰমুজ প্ৰণালীৰে অহা ২৩ খন বাণিজ্যিক জাহাজক আদৰণি জনায়।

০০০০০

ভাৰত আৰু কানাডাই চলিত বৰ্ষৰ শেষৰ ফালে সম্পন্ন হ'বলগা উমৈহতীয়া অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ ক্ষেত্ৰত দৃঢ়তা প্ৰকাশ কৰিছে। ভাৰত আৰু কানাডাৰ বাণিজ্য আৰু বিনিয়োগৰ যুটীয়া প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু কানাডাৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মন্ত্ৰী মনিন্দৰ সিদ্ধুৱে এই চুক্তিয়ে দুয়ো পক্ষকে উপকৃত কৰিব বুলি দৃঢ়তা প্ৰকাশ কৰিছে। দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত দুয়োগৰাকী মন্ত্ৰীয়ে তেওঁলোকৰ দায়বদ্ধতা প্ৰকাশ কৰাৰ লগতে এই চুক্তিয়ে অৰ্থনৈতিক বিকাশ আৰু দুয়োখন দেশৰ বাণিজ্যিক সুবিধা বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰিছে। ভাৰত আৰু কানাডাৰ ব্যৱসায়ী নেতাসকলক মঞ্চ প্ৰদান কৰাত এই ভাৰত আৰু কানাডাৰ বাণিজ্য আৰু বিনিয়োগ মঞ্চই দুয়োখন দেশৰ মাজত নতুন বাণিজ্যিক অংশীদাৰিত্ব বৃদ্ধি কৰাৰ লগতে ব্যৱসায়িক সম্বন্ধ আৰু অধিক টনকিয়াল কৰিব। কানাডাৰ মন্ত্ৰী সিদ্ধুৱে সেউজ শক্তি, কৃষি, খাদ্য, উন্নত উৎপাদন, ডিজিটেল প্ৰযুক্তি আৰু কৌশল বিকাশ আদিৰ ক্ষেত্ৰত সহযোগিতাৰ সম্ভাৱনা বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰে। চলিত বৰ্ষৰ শেষ ভাগত কানাডাৰ এটা বাণিজ্যিক গোট ভাৰত ভ্ৰমণলৈ আহিব বুলি উল্লেখ কৰি ইয়াৰ ফলত ভাৰতৰ বজাৰত কানাডাৰ ব্যৱসায় সম্প্ৰসাৰিত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

চলিত বছৰত এছিয়ান ২০ বছৰৰ অনুৰ্ধ এথলেটিকচ প্ৰতিযোগিতাত ভাৰতীয় এথলিট সকলে কেইবাটাও পদক লাভ কৰি সাফল্য লাভ কৰিছে। মহিলাৰ ১০০ মিটাৰ দৌৰত ভাৰতৰ নিপমে ১১.৬২ চেকেণ্ড সময় লৈ ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰতিযোগিতাখনৰ বিগত ২৫ বছৰত এইটো শাখাত পদক লাভ কৰা নিপম হৈছে প্ৰথমগৰাকী ভাৰতীয় এথলিট। প্ৰতিযোগিতাত  নিটিন গুপ্তাই পুৰুষৰ ৫ হাজাৰ মিটাৰ খোজ কঢ়াত স্বৰ্ণ পদক লাভ কৰে। মহিলাৰ ত্ৰিপল জাম্পত সাধনা ৰবিয়ে ১২ দশমিক ৭-৮ মিটাৰ জঁপিয়াই ৰূপৰ পদক লাভ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ৰত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ্ গুজৰাট টাইটানছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জৰ্ছ বাংগালুৰুৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছে প্ৰথমখন এলিমিনেটৰক ছান ৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি দ্বিতীয়খন কোৱালিফায়াৰত স্থান নিশ্চিত কৰাৰ বিপৰীতে গুজৰাট টাইটানছ্ প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ হাতত পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছিল।

২০০৮ চনৰ চেম্পিয়ন ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। গুজৰাট টাইটানছেও ২০২২ চনত খিতাপ দখলৰ সাফল্যৰ পুনৰাবৃত্তি ঘটোৱাৰ বাবে প্ৰয়াস কৰিব।

0000000